**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**----------------------**

আজি পহিলা মাঘ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আজিও ভোগালী বিহু উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ আৰু ধৰ্মীয় স্থানসমূহত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰ তথা ধৰ্মীয় স্থানসমূহৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰিছে। তদুপৰি পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে ঠায়ে ঠায়ে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**শিৱসাগৰ** জিলাত আজি পহিলা মাঘৰ দিনা শিৱদৌল, দেৱীদৌলকে ধৰি বিভিন্ন ধৰ্মীয় স্থানসমূহত বহুলোকৰ সমাগম হৈছে। তদুপৰি ঠায়ে ঠায়ে পৰম্পৰাগত খেল-ধেমালি, পিঠা-পনা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। জনসাধাৰণে আজি মাঘৰ প্ৰথম দিনা নিমন্ত্ৰিত অতিথি আৰু অভ্যাগতক সুস্বাদু খাদ্যৰে আপ্যায়ন কৰিব। মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱালৈ আজি পুৱাৰে পৰা দূৰ-দূৰণিৰ বহু ভক্তৰ আগমন হৈছে। পহিলা মাঘ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে ধৰ্মীয় স্থানসমূহলৈ গৈ নেদেখাজনৰ আশিস লোৱাৰ পৰম্পৰা অক্ষুণ্ণ ৰখাৰ দিহা কৰিছে।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰ হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্বৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। উদ্যোক্তাসকলে এই মেলাৰ প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰিছে। এই মেলালৈ মৰিগাঁৱকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীয়ে দেশৰ লগতে বিদেশৰ আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ীক সাক্ষাৎ কৰি অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এই সন্মিলনলৈ আমন্ত্ৰণ জনায়। এই উদ্দেশে মালয়েছিয়ালৈ যোৱা ৰাজ্যৰ তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি কুৱালালামপুৰত মালয়েছিয়াৰ ডিজিটেল মন্ত্ৰী গোবিন্দ সিং দেউ আৰু ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাক সাক্ষাৎ কৰে। ইয়াৰ পাছত তেওঁ ডিজিটেল উপ-মন্ত্ৰী উইছন ওগাৰ সৈতে অসম আৰু মালয়েছিয়াৰ মাজত তথ্য প্ৰযুক্তি খণ্ডত সহযোগিতা আৰু সমৰ্থন সন্দৰ্ভত বৈঠকত মিলিত হয়। বৈঠকত অত্যাধুনিক তথ্য প্ৰযুক্তি আৰু ছফ্টৱেৰ, ডাটা সুৰক্ষা, চাইবাৰ নিৰাপত্তা আদিকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মন্ত্ৰীগৰাকীয়ে কুৱালালামপুৰৰ পুত্ৰজায়াত মালয়েছিয়া চৰকাৰৰ পৰ্যটন, কলা আৰু সংস্কৃতি উপ-মন্ত্ৰী খাইৰুল ফিৰদোছ আকবৰ খানক সাক্ষাৎ কৰে। তেওঁ লগতে

দেশখনৰ বিনিয়োগ, বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ উপ-মন্ত্ৰী লিউ চিন টঙক সাক্ষাৎ কৰি অসমত ছেমি কণ্ডাক্টৰ খণ্ডৰ বিকাশৰ ক্ষেত্ৰত মালয়েছিয়াৰ সহায়, সমৰ্থনৰ বাবে অনুৰোধ জনায়। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচাৰৰ বাবে তিনিদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ যোৱা মন্ত্ৰী কেশৱ মহন্তই ভ্ৰমণৰ অন্তিম দিনা দেশখনৰ বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলক এই শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়। এই সময়ছোৱাত মন্ত্ৰীগৰাকীক মালয়েছিয়াত থকা ভাৰতৰ উপ-উচ্চায়ুক্ত সুভাসিনী নাৰায়ণন, অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ সচিব ডাঃ এছ লক্ষ্মনন, ভাৰতৰ উচ্চ আয়োগৰ বাণিজ্য সচিব ড০ অৰবিন্দকে ধৰি আন কেইবাগৰাকী ব্যক্তিয়ে সংগ দিয়ে।

মন্ত্ৰী বিমল বৰাই সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত এই সন্মিলনৰ বাবে প্ৰচাৰ আৰু বিনিয়োগৰ বাবে আগশাৰীৰ উদ্যোগপতি আৰু ব্যৱসায়ীক আমন্ত্ৰণ জনায়। আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰী বৰাই ডুবাইৰ ডি পি ৱৰ্ল্ড পৰিদৰ্শন কৰি ট্ৰান্সৱৰ্ল্ড গ্ৰুপৰ অধ্যক্ষ ৰমেশ এছ্ ৰামকৃষ্ণননক সাক্ষাৎ কৰে। ট্ৰান্সৱৰ্ল্ড গ্ৰুপ হৈছে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় শ্বিপিং আৰু লজিষ্টিকছ্ সংস্থা। এই সংস্থাৰ অংশীদাৰিত্বৰ দ্বাৰা অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি অব্যাহত আছে। তিনিচুকীয়া জিলা প্ৰশাসনে এইবেলি গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্ল'গান লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দিহা কৰিছে। এই প্ৰতিযোগিতা প্ৰথমে বিদ্যালয় পৰ্যায়ত, ইয়াৰ পাছত খণ্ড পৰ্যায়ত আৰু শেষত জিলা ভিত্তিত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ বিজয়ীসকলক গণৰাজ্য দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব। তিনিচুকীয়াৰ বৰগুৰি আই টি আই খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ মূল কুচ-কাৱাজ অনুষ্ঠানত কেইবাটাও বিভাগৰ পৰা সামাজিক বাৰ্তাবাহক প্ৰতীকপট প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি জিলা প্ৰশাসনে কাৰাগাৰৰ আৱাসী, চিকিৎসালয়ত ভৰ্তি হৈ থকা ৰোগী আৰু বৃদ্ধাশ্ৰমৰ আৱাসীসকলৰ মাজত ফল-মূল আদি বিতৰণ কৰিব।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি গুজৰাটৰ ৰাজকোটত হ'বলগীয়া তিনিখনীয়া এদিনীয়া শৃংখলাৰ অন্তিমখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইতিমধ্যে শৃংখলাটোত ২-০ৰ ব্যৱধানেৰে ভাৰতে জয় নিশ্চিত কৰিছে। প্ৰথমখন এদিনীয়াত ভাৰতে আয়াৰলেণ্ডক ৬ উইকেটত পৰাজিত কৰিছিল। দ্বিতীয়খন এদিনীয়াত ভাৰতে ১১৬ ৰাণত জয়লাভ কৰিছিল।

০০০০০০

সমাপ্ত